بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ্ আল-খামিছ (আইঃ)য়ে ২০২২ চনৰ ৪ মাৰ্চ তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**হজৰত আবু বক্কৰ (ৰাঃ)য়ে মহম্মদ (ছাঃ)ৰ আনুগত্যত সেই মহান মৰ্যাদা লাভ কৰে যে বিশ্ববাসীয়ে সৰ্বতো সন্মানৰ সৈতে শ্ৰদ্ধাৰে তেখেত (ৰাঃ)ৰ নাম উচ্চাৰণ কৰে।**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলী সম্পৰ্কে বৰ্ণনা**

**আজি বিশ্বৰ উদ্বেগপূৰ্ণ বিপদ সংকুল অৱস্থিতি লৈ দৰূদ চৰিফ ইস্তেগফাৰ আৰু কিছুমান দোৱা আদি কৰিবলৈ আহ্বান**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ইতিহাস তিব্ৰিত উল্লেখ আছে যে প্ৰথম খলিফা ৰাশেদৰ নিৰ্বাচনৰ সময়ত হজৰত হুবাব  বিন মনজিৰ (ৰাঃ)য়ে মত প্ৰকাশ কৰে যে যিহেতু মুহাজেৰিণ সকলে আনছাৰ সকলৰ আশ্ৰয়ত আছে গতিকে এই বিষয়টোত আনছাৰ সকলৰ এই সিদ্ধান্ত গ্ৰহণ কৰা হওঁক যে এজন আমিৰ আনছাৰ সকলৰ ফালৰ পৰা আৰু এজন আমিৰ মুহাজেৰিণ কুৰাইছ সকলৰ ফালৰ পৰা নিৰ্বাচিত হওঁক। তাতে আকৌ হজৰত বশিৰ বিন ছাআদ (ৰাঃ)য়ে ৰায় আগবঢ়াইছিল যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ সম্প্ৰদায় কুৰাইছ এই শাসন ভাৰ লাভ কৰাৰ বেছি অধিকাৰী আৰু যোগ্য। কিন্তু ছুননে কুবৰা আলনিছাইত উল্লেখ আছে যে সেই সময়ত হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে এটা খাপত দুটা তৰোৱাল ৰাখিব পৰা নাযায় আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ হাত ধৰি তেখেত (ৰাঃ)ৰ তিনিটা গুণ সম্পৰ্কে বৰ্ণনা দিয়ে যে

اِذۡ هُمَا فِي الۡغَارِ اِذۡ يَقُوۡلُ لِصَاحِبِهٖ لَا تَحۡزَنۡ اِنَّ اللّٰهَ مَعَنَا

অৰ্থাৎ যেতিয়া তেওঁলোকে ছুৰ গুহাত অৱস্থান কৰিছিল তেতিয়া তেখেত (ছাঃ)য়ে নিজৰ লগৰীয়াক কৈছিল চিন্তা নকৰিবা নিশ্চয় আল্লাহ আমাৰ লগতে আছে। এতিয়া তেন্তে সেই সময় ছোৰাত গুহাত দুজন ব্যক্তি কোন কোন আছিল ? ৰছুলুল্লাহ (ছাঃ)ৰ লগৰীয়া কোন আছিল ? ৰছুলুল্লাহ (ছাঃ) অইন আৰু কাৰ লগত আছিল ? এই বুলি হজৰত উমৰ (ৰাঃ)য়ে হজৰত আবু  বক্কৰ (ৰাঃ)ৰ বয়াত কৰে আৰু লগে লগে গোটেই সম্প্ৰদায়েই হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰি লয়। এই বয়াত বয়াতে ছকিফা আৰু বয়াতে খাচা নামেৰে জনাজাত।

হজৰত আনাছ বিন মালিক (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে বয়াতৰ পিছদিনাখন হজৰত উমৰ (ৰাঃ)য়ে ভাষণত

উল্লেখ কৰিছিল যে হে লোক সকল ! মই কৈছিলো যে আঁ-হজৰত (ছাঃ)ৰ মৃত্যু হোৱা নাই কিন্তু এই বিষয়ে কিতাবুল্লাহত মই কোনো বৰ্ণনা পোৱা নাই আৰু নবী কৰিম (ছাঃ)য়েও এই বিষয়ে মোক কোনো আদেশ দিয়া নাছিল। কিন্তু মই ভাৱিছিলো যে আমিহে আগত মৰি যাম আৰু আঁ-হজৰত (ছাঃ)য়ে আমাৰ পিছত একেবাৰে শেষত মৃত্যু বৰণ কৰিব। কিন্তু আল্লাহ তা'লা তোমালোকৰ দায়িত্ব এনেকুৱা এজন ব্যক্তিৰ হাতত দি দিলে; যিজন তোমালোকৰ ভিতৰত আটাইতকৈ উত্তম আৰু যিজন লোক আঁ-হজৰত (ছাঃ)ৰ লগৰীয়া আছিল আৰু ثَانِيَ اثْنَيْنِ اِذْ هُمَا فِي الْغَارِ ৰ স্পষ্ট নিদৰ্শন। গতিকে উঠা আৰু তাৰ বয়াত কৰা। এনেদৰে লোকে বয়াতে ছকিফাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰিছিল।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে সৰ্বসাধাৰণৰ বয়াতৰ দিনাখন এটা খোতবা প্ৰদান কৰে। তাত কয় যে লোকসকল! নিশ্চয় মই তোমালোকৰ মুৰব্বী হিচাপে নিযুক্ত হৈছো; সেই বুলি মই তোমালোকৰ সকলোতকৈ উত্তম নহয়। যদি মই ভাল কাম কৰো তেন্তে তোমালোকে মোৰ লগত সহযোগ কৰিবা আৰু যদি চতুৰালি কৰো তেন্তে তোমালোকে মোৰ আনুগত্য কৰিবা আৰু যদি মই নাফৰমানি (অবাধ্যতা) কৰো তেন্তে তোমালোকে মোৰ আনুগত্য কৰাটো বাধ্যতামূলক নহয়।

হজৰত আলি (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰা সম্পৰ্কে বিভিন্ন বৰ্ণনাৰ উল্লেখ পোৱা যায়। আল্লামা ইবনে কছিৰে কৈছে যে হজৰত আলি (ৰাঃ)য়ে নবী কৰিম (ছাঃ)ৰ মৃত্যুৰ পিছত প্ৰথম নাইবা দ্বিতীয় দিনাখন হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰিছিল। হজৰত আলি (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক কেতিয়াও এৰি যোৱা নাছিল আৰু নে এখেত (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ পিছত নমাজ পঢ়িবলৈ বাদ দিছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে হজৰত আলি (ৰাঃ)য়ে প্ৰথম প্ৰথমে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত সম্পৰ্কে বিৰোধীতা কৰিছিল। কিন্তু পিছত এবাৰ আল্লাহ জানে কি ধাৰণা উপজিছিল; নিজৰ মূৰৰ পাগুৰি নাবান্ধিয়ে ততাতৈয়াকৈ মূৰত লৈয়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰিবলৈ আহি উপস্থিত হৈছিল আৰু নিজৰ পাগুৰি পিছত লৈ অনাইছিল। অনুমান হয় যে তেখেত (ৰাঃ)ৰ মনত বোধ হৈছিল যে এয়া দেখোন গোনাহৰ কাম হৈ আছে; সেয়ে ইমান খৰ-ধৰকৈ বয়াতৰ উদ্দেশ্যে ৰওনা হৈছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ) মক্কাৰ এজন সাধাৰণ ব্যৱসায়ী আছিল কিন্তু মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ আনুগত্যত তেখেত (ৰাঃ)য়ে সেই মৰ্যাদাৰ স্থান লাভ কৰিছিল যে আজি গোটেই বিশ্বই তেখেতৰ নাম সৰ্বতো সন্মান আৰু শ্ৰদ্ধাৰে উচ্চাৰণ কৰে। কোনোবায় গৈ হজৰত আবু বক্কৰ (ৰাঃ)ৰ দেউতাকক খবৰ দিছিল যে মোবাৰক হওঁক; আবু বক্কৰ (ৰাঃ)খলিফা পদত অধিষ্ঠিত হৈছে। প্ৰথমে হজৰত আবু বক্কৰ (ৰাঃ)ৰ দেউতাকে এই খবৰ বিশ্বাস কৰা নাছিল কিন্তু যেতিয়া তাক বিশ্বাস কৰোৱা হৈছিল তেতিয়া তেওঁ কৈছিল যে আল্লাহ আকবৰ ! মহম্মদ (ছাঃ)ৰ কিমান প্ৰতিপত্তি যে আবু কাহাফৰ পুত্ৰক আৰবীয়ান সকলে নিজৰ চৰ্দাৰ পাতি লৈছে। হজৰত খলিফাতুল মছীহ আউৱাল (ৰাঃ)য়ে কৈছে যে নিশ্চয় এয়াই বুজি লোৱা যে আল্লাহ তা'লাৰ কাৰো দয়াৰ আৱশ্যক নাই। সি তাতকৈ হাজাৰও লাখও গুণে বেছিকৈ দিব পাৰে; যিমান কোনোবায় খোদাৰ ওৱাস্তে দিয়ে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে আল্লাহৰ ওৱাস্তে মক্কাত এক সাধাৰণ ঘৰটো এৰি আহিছিল কিন্তু খোদা তা'লাই তাৰ সলনি তেখেতক এক সাম্ৰাজ্যৰ অধিপতি নাই দিয়ে।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে এবাৰ সপোনত দেখিবলৈ পায় যে তেখেতৰ শৰীৰত এখন ইয়ামিনি চাদৰ পিন্ধি আছে কিন্তু তাৰ বুকুৰ অংশত দুটা দাগ লাগি আছে। ৰছুলুল্লাহ (ছাঃ)য়ে এই সপোনটোৰ বিষয়ে বৰ্ণনা কৰে যে এই

ইয়ামিনি চাঁদৰৰ অৰ্থ এয়াই হয় যে তুমি ভাল সন্তান লাভ কৰিবা আৰু তাতে থকা দুটা দাগৰ অৰ্থ দুবছৰীয়া শাসন অৰ্থাৎ তুমি দুটামান বছৰ মুছলমান সকলৰ হাকিম হৈ থাকিবা।

খিলাফতত অধিষ্ঠিত হোৱাৰ হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ খৰচৰ বাবে বছৰি ছয় হাজাৰ দেৰহামকৈ অজিফা (বেতন) লাভ কৰিছিল। কিন্তু যেতিয়া তেখেত (ৰাঃ)ৰ মৃত্যুৰ সময় ঘনাই আহে তেতিয়া তেখেত (ৰাঃ) য়ে নিজৰ আত্মীয় সকলক আদেশ দিছিল যে যিখিনি অজিফা তেখেতে বায়তুল মালৰ পৰা লৈছে সকলোখিনি ঘূৰাই দিব লাগে আৰু এই ধন পৰিশোধ কৰিবলৈ মোৰ অমুক অমুক জমিন বেচি দিয়া যাওঁক। গতিকে যেতিয়া হজৰত উমৰ (ৰাঃ)য়ে খলিফা হয় আৰু সেই ধনৰাশি তেখেত (ৰাঃ)ৰ ওচৰত জমা দিয়া হয় তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কান্দি কান্দি কৈছিল হে আবু বক্কৰ ছিদ্দিক! তুমি নিজৰ প্ৰতিনিধিৰ ওপৰত বৰ ডাঙৰ বোজা জাপি দি গৈছা।

চাৰি খোলাফায়ে ৰাশিদিন সকলৰ মাজত হজৰত আবু বক্কৰ (ৰাঃ)ৰ দুই বছৰ তিন মহীয়া অতি চমু খিলাফৎ কালক এক সোনালী সময় বুলি ক'ব পাৰি কাৰণ হজৰত আবু বক্কৰ (ৰাঃ)য়ে আটাইতকৈ বেছি বিপদ আৰু সমস্যাৰ সন্মুখীন হয় যদিও খোদা তা'লাৰ অসাধাৰণ সহায়,সহযোগ মৰ্মে হজৰত আবু বক্কৰ (ৰাঃ)ৰ পৰিপূৰ্ণ শৃঙ্খলা বীৰত্ব আৰু প্ৰজ্ঞাৰ বলত অতি কম দিনৰ ভিতৰতে সমূলি আতংকময় বিপদৰ ক'লা মেঘ দূৰীভূত হৈ এক শান্তিৰ পৰিৰেশ সৃষ্টি হৈছিল।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে খিলাফতৰ প্ৰাথমিক অৱস্থাতেই পাঁচ প্ৰকাৰৰ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল। প্ৰথম হ'ল আঁ-হজৰত (ছাঃ)ৰ মৃত্যু আৰু তাৰ বিমোদৰ শোক। দ্বিতীয়তে খিলাফতৰ নিৰ্বাচন আৰু উম্মতৰ মাজত বিবাদ,মতানৈক্যৰ পাদুৰ্ভাৱ। উছামা বাহিনীৰ আক্ৰমণৰ সমস্যা। চতুৰ্থতে হ'ল মুছলমান হৈও কিছুমানে জাকাত দিবলৈ অস্বীকাৰ কৰাৰ সমস্যা আৰু তেওঁলোকৰ মদিনা আক্ৰমণৰ প্ৰচেষ্টা যাক ইতিহাসত জাকাত নিদিয়াৰ বিবাদ বুলি কোৱা হয়। পঞ্চম হ'ল মুৰতদ (ইছলাম ধৰ্ম ত্যাগ কৰা) সকলৰ বিবাদ অৰ্থাৎ তেওঁলোকে মুকলি ভাৱে বিদ্ৰোহ আৰু যুদ্ধ ঘোষণা কৰিছিল। এই বিদ্ৰোহী সকলৰ লগত তেওঁলোকেও যোগ দিছিল যি সকলে নিজৰ ফালৰ পৰা নবী হোৱাৰ দাবী কৰিছিল। ভয়-ভীতিৰ সেই অৱস্থা,সমস্যা আৰু বিদ্ৰোহৰ সাম কটাবলৈ আল্লাহ তা'লা হজৰত আবু বক্কৰ (ৰাঃ)ক সকলো প্ৰকাৰেৰে তৌফিক দান কৰিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক হজৰত মুছা (আঃ)ৰ প্ৰথম খলিফা হজৰত এশ্বোৱা বিন নোনৰ সৈতে তুলনা কৰি হজৰত আবু বক্কৰ (ৰাঃ)য়ে সন্মুখীন হোৱা সমস্যা আৰু বিজয় সম্পৰ্কে বৰ্ণনা কৰোঁতে কয় যে

وَعَدَ اللّٰهُ الَّذِيْنَ اٰمَنُوْا مِنْكُمْ وَعَمِلُوا الصّٰلِحٰتِ لَيَسْتَخْلِفَنَّهُمْ فِي الْاَرْضِ كَمَا اسْتَخْلَفَ الَّذِيْنَ مِنْ قَبْلِهِمْ

এই আয়াতৰ দ্বাৰা মুছুয়ী খিলাফৎ আৰু ছিলছিলা খিলাফতে মহম্মদীয়াৰ মাজত সাদৃশ্য থকাটো প্ৰমাণিত হয়। এই সাদৃশ্যৰ ভিত্তি ৰচনা কৰোঁতা হ'ল হজৰত আবু বক্কৰ (ৰাঃ) আৰু শেষ দৃষ্টান্ত প্ৰকাশ কৰোঁতা হ'ল মছীহ খাতামুল খোলফা অৰ্থাৎ মহম্মদীয়া ছিলছিলাৰ খিলাফতৰ সৰ্ব শেষ খলিফা অৰ্থাৎ হজৰত মছীহ মাওউদ (আঃ)। খোদা তা'লা ইউশ্বু বিন নোন আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ মাজত সাদৃশ্য দুয়ো খিলাফতৰ প্ৰথম অংশত আৰু হজৰত ঈছা ইবনে মৰিয়ম আৰু এই উম্মতৰ মছীহ মাওউদ (আঃ)ৰ মাজত থকা সাদৃশ্য দুয়ো খিলাফতৰ শেষ অংশত আনি উজাগৰ কৰি দেখুৱাইছে। যেনেকৈ বনি ইস্ৰাইল সকলে হজৰত মুছা (আঃ)ৰ মৃত্যুৰ পিছত ইউশ্বু বিন নোনৰ কথাৰ অনুসাৰী হৈ পৰিছিল আৰু সকলোৱে আনুগত্য স্বীকাৰ কৰিছিল, ঠিক তেনেদৰেই হজৰত আবু

বক্কৰ (ৰাঃ)ৰ ক্ষেত্ৰতও ঘটিছিল আৰু সকলোৱে আঁ-হজৰত (ছাঃ)ৰ মৃত্যু শোকত চকুলো টুকি অন্তৰ আত্মাৰে হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফত কবুল কৰি লৈছিল।

আয়াতৰ মূলভাৱ আৰু ঐক্যমতৰ পৰা হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে খোদা তা'লাই নেক মোমিন সকলক প্ৰতিশ্ৰুতি দি ৰাখিছে যে সেই খিলাফতি ছিলছিলাৰ দৰেই এক ছিলছিলা প্ৰতিষ্ঠা কৰিব,যেনেকৈ হজৰত মুছা (আঃ)ৰ পিছত প্ৰতিষ্ঠা কৰিছিল আৰু দ্বীনে ইছলামক ধৰা পৃষ্ঠত প্ৰতিষ্ঠা কৰিব আৰু তাৰ শিপা ৰোপন কৰি ভয়-ভীতিগ্ৰস্ত অৱস্থাক শান্তি নিৰাপদলৈ সলনি কৰি দিব। এই আয়াতত স্পষ্ট ভাৱে উল্লেখ কৰিছে যে ভয় আতংকময় পৰিস্থিতিৰও উদ্ভৱ হ'ব আৰু শান্তি গুচি যাব; কিন্তু খোদা তা'লাই সেই ভয়-ভীতিক এক শান্তিৰ পৰিবেশলৈ সলনি কৰি দিব। গতিকে এনেকুৰা ভয় বিহ্বলতাৰ এক পৰিস্থিতি ইউশু বিন নোনৰ সময়তও উদ্ভৱ হৈছিল আৰু সেয়া খোদা তা'লাৰ বাণীৰ জৰিয়তে তাক প্ৰশান্তি দিয়া হৈছিল; ঠিক তেনেকৈয়ে হজৰত আবু বক্কৰ (ৰাঃ)কেও খোদা তা'লাৰ বাণীৰে প্ৰশান্তি দিয়া হৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে বৰ্তমান বিশ্বৰ ভয়ানক পৰিস্থিতি সাম কটাৰ বাবে দোৱাৰ তেহেৰিক কৰি কয় যে বৰ্তমানে এটমি যুদ্ধৰ হুমকি আহি পৰিছে। মই আগতেও কেইবাবাৰ কৈ আহিছো যে তেনেকুৰা যুদ্ধৰ পৰিণতি ভৱিষ্যত প্ৰজন্মই ভুগিব লাগিব। একমাত্ৰ আল্লাহ তা'লাই তেওঁলোকক বিবেক দান কৰিবলৈ আছে। আজিকালি দৰূদ বেছিকৈ পাঠ কৰক আৰু ইস্তেগফাৰ কৰক। হজৰত মছীহ মাওউদ (আঃ)য়ে এটা সময়ত জমাতক বিশেষ ভাৱে শিক্ষা দিছিল যে নমাজত ৰুকু কৰাৰ পিছত থিয় হৈ

رَبَّنَا اٰتِنَا فِی الدُّنْیَا حَسَنَۃً وَّ فِی الْاٰخِرَۃِ حَسَنَۃً وَّقِنَا عَذَابَ النَّارِ

এই দোৱা পাঠ কৰক। গতিকে বৰ্তমান এই দোৱা পঢ়াৰ অতিকৈ প্ৰয়োজন হৈ পৰিছে। আল্লাহ তা'লা সৌন্দৰ্যতা দান কৰক আৰু সকলো ধৰণৰ অগ্নিৰ শাস্তিৰ পৰা সকলোকে ৰক্ষা কৰক। আমীন-

সৰ্বশেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম আবুল ফাৰাজ আলহছনি চাহাব (ছিৰিয়া) ৰ মৃত্যু সম্পৰ্কে বৰ্ণনা কৰে আৰু তাৰ জামাতি খিদমত সম্পৰ্কে এক চমু আলোচনা আগবঢ়ায়। শেষত মৰহুম নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমৰ মৰ্যাদা আৰু ক্ষমাৰ দুৱাৰ মুকলি কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR [aba] 4 MARCH 2022**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**